বিশ্লেষণত M তকৈ K বেছি গুৰুত্বপূৰ্ণ। ইয়াৰ অৰ্থ হ'ল, মুদ্ৰাৰ মূল্য নিৰ্ভৰ কৰে মুদ্ৰাক নগদ ৰাহি হিচাপে ৰখা চাহিদাৰ ওপৰত। তাৰোপৰি K আৰু R ক স্থিৰে থাকে বুলি ধৰিলে, মুদ্ৰাৰ যোগান (M)আৰু দৰস্তৰ (P)ৰ মাজত এক প্ৰত্যক্ষ আনুপাতিক সম্পৰ্ক থাকে।

### 3. ৰবাৰ্টচনৰ সমীকৰণ (Robertson's equation) ঃ

ৰবাৰ্টচনৰ সমীকৰণটো পিগুৰ সমীকৰণৰ সৈতে একে। কিন্তু পিগুৰ প্ৰকৃত সম্পদ (R)ৰ ঠাইত ৰবাৰ্টচনে মুঠ লেনদেন (T)ক তেওঁৰ সমীকৰণটোত অন্তৰ্ভূক্ত কৰিছে। সেই অনুসৰি তেওঁৰ সমীকৰণটো হ'ল —

$M = KPT$

য'ত P = দৰস্তৰ (Price level)

M = মুদ্ৰাৰ যোগান (Money supply)

T = এটা বছৰত ক্ৰয় কৰা মুঠ বয়-বস্তু আৰু সেৱা (Total amount of goods and services purchased during a year) আৰু

K হ'ল T ৰ সেইটো অনুপাত যাক ব্যক্তিয়ে নগদ হিচাপত ৰাখিব বিচাৰে (Proportion of T which people with to hold in cash form)

এই সমীকৰণটোত ৰবাৰ্টচনে স্পষ্টকৈ উল্লেখ কৰিছে যে, M ৰ সৈতে P ৰ প্ৰত্যক্ষভাৱে পৰিবৰ্তন হয় আৰু K, T ৰ সৈতে বিপৰীত দিশত পৰিবৰ্তন হয়। এই ক্ষেত্ৰত ৰবাৰ্টচনৰ সমীকৰণটো পিগুৰ সমীকৰণটোৰ তুলনাত অধিক অগ্ৰাধিকাৰ দিয়া হয় কাৰণ এই সমীকৰণটো ফিচাৰৰ সমীকৰণৰ সৈতে সহজে তুলনা কৰিব পাৰি।

### 4. কেইনছৰ সমীকৰণ (Keynes' equation) :

কেইনছে অন্যান্য ক্ৰেম্বিজ সমীকৰণৰ উৰ্দ্ধত তেওঁৰ এক উন্নত প্ৰকৃত ৰাহি পৰিমাণ (real balance quantity) সমীকৰণ আগবঢ়াইছে। তেওঁৰ মতে, মুদ্ৰাৰ চাহিদা বিষয়টো কেৱল ভোগ দ্ৰব্য প্ৰসংগৰ সৈতে জড়িত। অন্য কথাত, ব্যক্তিয়ে নগদ মুদ্ৰা হাতত ৰাখে কেৱল দ্ৰব্য-সামগ্ৰী আৰু সেৱা ক্ৰয়ৰ বাবে। কেইনছৰ সমীকৰণটো হ'ল—

$n = pk$

বা, $p = n/k$

য'ত, n = সৰ্বসাধাৰণ মানুহে নিজৰ হাতত ৰখা নগদ মুদ্ৰা (cash held by general people)

P = ভোগ দ্ৰব্যৰ দৰস্তৰ (Price level of consumer goods)

k = প্ৰকৃত ৰাহি বা ভোগ সামগ্ৰীৰ অনুপাতৰ অতিৰিক্ত ৰখা নগদ মুদ্ৰা (real balance or proportion of consumer goods over which cash is kept)

K স্থিৰে থাকে বুলি ধৰিলে, M আৰু P ৰ মাজত এক প্ৰত্যক্ষ আৰু অনুপাতিক সম্পৰ্ক থাকে। বেংকৰ জমা বিষয়টো বিবেচনা কৰিলে, কেইনছৰ সম্প্ৰসাৰিত সমীকৰণটো হ'ব।

$p = n/k + rk'$

য'ত, r = বেংকৰ নগদ সংৰক্ষিত অনুপাত (Cash reserve ratio of banks)

K' = বেংক মুদ্ৰাৰ ৰূপত ৰখা প্ৰকৃত ৰাহি (real balance held in the form of bank money)

পুনৰ k, k' আৰু r স্থিৰে থাকে বুলি ধৰিলে, n আৰু p ৰ মাজত এক প্ৰত্যক্ষ আৰু আনুপাতিক সম্পৰ্ক থকাৰ সিদ্ধান্তত উপনীত হ'ব পাৰি।

5. **নগদ ৰাহি তত্বৰ সমালোচনামূলক মূল্যায়ণ** (Critical evaluation of Cash-balance approach) ঃ

মুদ্ৰাৰ পৰিমাণ সম্পৰ্কীয় ক্ৰেম্বিজ তত্বত তলত উল্লেখ কৰা আসোঁৱাহ সমূহ পৰিলক্ষিত হয়।

(i) **সাধাৰণ স্বতঃসিদ্ধ** (Simple truism) ঃ ফিচাৰৰ লেনদেন সমীকৰণত উল্লেখ কৰা, PT = MV ৰ নিচিনাকৈ ক্ৰেম্বিজ সমীকৰণৰ M=KY, এক সাধাৰণ স্বতঃসিদ্ধ বিষয়। ই কেৱল মাত্ৰ অন্যান্য অৱস্থাসমূহ স্থিৰে থকা অৱস্থাত মুদ্ৰাৰ পৰিমাণ আৰু দৰস্তৰৰ মাজৰ প্ৰত্যক্ষ আৰু আনুপাতিক সম্পৰ্ক প্ৰতিষ্ঠা কৰে।

(ii) **একক স্থিতিস্থাপক চাহিদা** (Unitary elastic demand) ঃ নগদ ৰাহি তত্ব মুদ্ৰাৰ একমান বিশিষ্ট একক স্থিতিস্থাপক চাহিদা অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ অৰ্থ হ'ল, নগদ ৰাহি মুদ্ৰা ৰখাৰ প্ৰৱণতা (k) বৃদ্ধিয়ে সমানুপাতিক দৰস্তৰৰ হ্ৰাস কৰে। ই কেৱল সম্ভৱ হয় স্থিতিশীল সমাজ ব্যৱস্থাত, যেতিয়া মুদ্ৰাৰ মজুত, বয়-বস্তু আৰু সেৱাৰ পৰিমাণ স্থিৰে থাকে। কিন্তু গতিশীল অৱস্থাত ই কাৰ্য্যকৰী নহয়।

(iii) **ফট্‌কা ব্যৱসায়ৰ অভিপ্ৰায়ক অৱমাণনা** (Speculative motive ingored) ঃ নগদ ৰাহি তত্বই, নগদ মুদ্ৰা ৰখাৰ বিভিন্ন অভিপ্ৰায়ক সঠিকভাৱে বিশ্লেষণ কৰা নাই। উদাহৰণ স্বৰূপে, ই মুদ্ৰাৰ ফট্‌কা ব্যৱসায় অভিপ্ৰায়ক অৱমাননা কৰিছে। যিটো মুদ্ৰা নগদ ৰখাৰ কেইনছ্‌ৰ বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ নিৰ্দ্ধাৰক। কাৰণ, ফট্‌কা ব্যৱসায়ৰ অভিপ্ৰায়ে মুদ্ৰাৰ চাহিদা পৰিবৰ্তনত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।

(iv) **সুদৰ হাৰক অৱমাণনা** (Role of rate of interest ingnored) ঃ এই তত্বই দৰস্তৰ পৰিবৰ্তনত সুদৰ হাৰৰ প্ৰভাৱ বিশ্লেষণক নুই কৰিছে। প্ৰকৃততে মুদ্ৰাৰ চহিদাৰ ওপৰত সুদৰ হাৰে উল্লেখনীয় প্ৰভাৱ পেলায়। গতিকে, যিকোনো মৌদ্ৰিক তত্বই এই দিশটো অৱমাণনা কৰিব নোৱাৰে।

(v) **প্ৰকৃত উপাদান সমূহক অৱমাণনা** (Real Factors ignored) ঃ দৰস্তৰ পৰিবৰ্ত্তনত এই তত্বই প্ৰকৃত উপাদান সমূহ যেনে — আয়, সঞ্চয়, বিনিয়োগ আদিৰ প্ৰভাৱ বিশ্লেষণ কৰা নাই। প্ৰকৃততে এই উপাদান সমূহে দৰস্তৰৰ ওপৰত নিৰ্ণায়ক প্ৰভাৱ বিস্তাৰ কৰে।

(vi) **প্ৰকৃত ৰাহি প্ৰভাৱ অৱমাণনা** (Real balance effect ignored) ঃ ফিচাৰৰ দৰেই ক্ৰেমিজ অৰ্থনীতিবিদ সকলেও মুদ্ৰাৰ নিৰপেক্ষতা ধৰি লৈ মুদ্ৰা আৰু দ্ৰব্য বজাৰৰ বিভাজন উল্লেখ কৰি কয় যে, মুদ্ৰা বজাৰৰ চূড়ান্ত দৰ, দ্ৰব্য বজাৰৰ আপেক্ষিক দৰৰ পৰা স্বতন্তভাৱে নিৰ্দ্ধাৰণ কৰা হয়। ব্যক্তিৰ সম্পদৰ ৰাহি মুদ্ৰা দৰস্তৰৰ দ্বাৰা প্ৰভাৱিত হয় আৰু সম্পদৰ পৰিবৰ্তনে দ্ৰব্য সামগ্ৰী ব্যয়ত প্ৰভাৱ পেলায়। গতিকে, এই তত্বই এনে ধৰণৰ প্ৰকৃত ৰাহি প্ৰভাৱ সমূহ নুই কৰিছে।

(vii) **K সম্পৰ্কে ঠেক মতামত** (Narrow view of K) ঃ এই তত্বই K ক প্ৰকৃত আয়ৰ একমাত্ৰ নিৰ্দ্ধাৰক

হিচাপে ধৰি লৈ K সম্পৰ্কে এক ঠেক মতামত আগবঢ়াইছে। ই অন্যান্য গুৰুত্বপূৰ্ণ উপাদান যেনে, দৰস্তৰ, ব্যক্তিৰ বেংক আৰু ব্যৱসায়িক অভ্যাস, ব্যৱসায় সহযোগিতা আদি উপাদান সমূহ যিবোৰে, K ৰ মানৰ ওপৰত প্ৰভাৱ পেলায় সেই উপাদান সমূহ অৱমাননা কৰিছে।

(viii) **K আৰু P ৰ মাজৰ দুই-দিশৰ সম্পৰ্ক** (Tow way relationship between K and P) ঃ এইতত্বই উল্লেখ কৰে যে, মুদ্ৰাৰ মূল্য বা দৰস্তৰ (p), K ৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। কিন্তু এইটো উল্লেখযোগ্য যে, K কেৱল P ৰ দ্বাৰাই প্ৰভাৱিত নহয়, P ও, K ৰ দ্বাৰা প্ৰভাৱিত হয়। দৰস্তৰ (P) বৃদ্ধিৰ সময়ত মানুহে নিজৰ হাৰত ৰাখিব বিচৰা মুদ্ৰাৰ অনুপাত (K) হ্ৰাস পাই আৰু ইয়াৰ বিপৰীত অৱস্থাত বৃদ্ধি পায়।

(ix) **K আৰু T স্থিৰে থাকে বুলি ধৰা হয়** (K and T assumed Constant) ঃ ফিচাৰৰ তত্বৰ দৰে, ক্ৰেম্বিজ তত্বইও K আৰু T নিৰ্দিষ্ট বুলি ধৰি লয়। কিন্তু এনে অৱস্থা কেৱল স্থিতিশীল অৱস্থাতহে সম্ভৱ; গতিশীল আৰ্থিক ব্যৱস্থাত ই সম্ভৱ নহয়।

(x) **বাণিজ্য চক্ৰ বিশ্লেষণৰ অভাৱ** (No explanation of trade cycle) ঃ লেনদেন তত্বৰ নিচিনাকৈ ক্ৰেম্বিজ তত্বটো বাণিজ্য চক্ৰৰ সম্পৰ্কীয় বিশ্লেষণৰ অভাৱ পৰিলক্ষিত হয়। কিয় সমৃদ্ধিৰ পৰা মন্দাৱস্থা অৱধাৰিত হয় বা মন্দাৱস্থাৰ পৰা সমৃদ্ধিলৈ উত্থান ঘটে, সেই সম্পৰ্কীয় বিশ্লেষণ এই তত্বত নাই।

(xi) **সাংখ্যিক বিশ্লেষণৰ অভাৱ** (Lack of quantitative analysis) ঃ

ক্ৰেম্বিজ তত্বত মুদ্ৰাৰ যোগান পৰিবৰ্তনে, কিমান পৰিমাণৰ দৰ বা দ্ৰব্য-সামগ্ৰীৰ পৰিবৰ্তন ঘটায় তাৰ কোনো সাংখ্যিক বিশ্লেষণ ইয়াত উল্লেখ নাই।

বিভিন্ন সমালোচনা আৰু আসোঁৱাহ থকা সত্বেও ক্ৰেম্বিজ তত্ব, ফিচাৰৰ লেনদেন তত্বতকৈ স্পষ্টভাৱে উন্নত। ক্ৰেম্বিজ তত্বৰ আটাইতকৈ উল্লেখযোগ্য বৰঙণি হ'ল এই যে, মুদ্ৰাৰ মূল্য নিৰ্দ্ধাৰণত মুদ্ৰাৰ চাহিদা এক গুৰুত্বপূৰ্ণ নিৰ্দ্ধাৰক ক্ৰেম্বিজ তত্বৰ এই বৰঙণিয়ে সাম্প্ৰতিক সময়ত মৌদ্ৰিক তত্ব উন্নয়ণত এক নতুন দিগন্তৰ সূচনা কৰে।

## 6. লেনদেন আৰু নগদ ৰাহি তত্বৰ মাজত তুলনা (Comparision between transaction and cash-balance approach) ঃ

ফিচাৰৰ লেনদেন তত্ব আৰু কেম্বিজ তত্বৰ মাজত বিভিন্ন মিল আৰু পাৰ্থক্য সমূহ তলত উল্লেখ কৰা হ'ল পৰিলক্ষিত হয়।

(a) মিল সমূহ (similarities)